যোৰহাট অঞ্চলৰ দহোটীয়া উচ্চতৰ ... অভিযানে প্ৰদান কৰিব।

১১/০৬/২০২৫ আমাৰ অসম

# যোৰহাট মহাবিদ্যালয়ত অস্পৃশ্যতা বিৰোধী দিৱস পালন

যোৰহাট, ১০ জুন ঃ আজি যোৰহাট মহাবিদ্যালয়ৰ রুছা কনফাৰেন্স হলত সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীৰ জন্মজয়ন্তীৰ লগত সংগতি ৰাখি 'অস্পৃশ্যতা বিৰোধী দিৱস' উদযাপন কৰা হয়। সম্পূৰ্ণ অনুষ্ঠানত মহাবিদ্যালয়খনৰ আআইকিউএচি-ৰ এটা পদক্ষেপ হিচাপে আয়োজিত হৈছিল। অনুষ্ঠানটোৰ মূল দায়িত্বত আছিল ইতিহাস বিভাগ আৰু সমাজতত্ত্ব বিভাগ। এই প্ৰয়াসক অধিক শক্তিশালী কৰি তুলিবলৈ মহাবিদ্যালয়খনৰ এনএছএছ গোট আৰু কমিউনিটি ডেভেলপমেণ্ট ক্লাবে বিশেষ সহযোগিতা আগবঢ়ায়। অনুষ্ঠানৰ শুভাৰম্ভ কৰি ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ৰক্তিম জ্যোতি হাজৰিকাই গড়মূৰ সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰগৰাকীৰ অস্পৃশ্যতাৰ বিৰুদ্ধে চলোৱা জীৱনজোৰা সংগ্ৰামৰ চমু আলোকপাত কৰে আৰু সত্ৰাধিকাৰজনৰ কৰ্মৰাজিক আজিৰ প্ৰজন্মই জানিব পৰাকৈ পূৰ্ণাংগ গ্ৰন্থৰূপে লিপিবদ্ধ কৰি যোৱা বিশিষ্ট লিখক গংগাধৰ হাজৰিকাকো শ্ৰদ্ধাৰে সোঁৱৰে। অনুষ্ঠানত মূল বক্তা হিচাপে উপস্থিত থাকি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ আদৰ্শক সোঁৱৰণ কৰি এক জাত-পাতহীন আৰু মানৱতাৰে পৰিপূৰ্ণ সমাজ গঢ়ি তোলাৰ পোষকতা কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা স্বপ্নাজ্যোতি বৰাই।